# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৬১/২০২০

## কেইবাগৰাকীও প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, শীৰ্ষ ৰাজনৈতিক নেতা আৰু জ্যেষ্ঠ নাগৰিকৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

**দিছপুৰ, ৭ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিৰোধী দলপতি দেবব্ৰত শইকীয়া, প্ৰাক্তন মুখ্যমন্ত্ৰীসকল ক্ৰমে তৰুণ গগৈ, ভূমিধৰ বৰ্মন আৰু প্ৰফুল্ল কুমাৰ মহন্ত, এআইইউডিএফ বিধায়িনী দলৰ নেতা হাফিছ বছিৰ আহমেদ (কাছিমী), প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ক্ৰমে বিজয়া চক্ৰৱৰ্তী, কবিন্দ্ৰ পুৰকায়স্থ, ৰাজেন গোহাঁই আৰু পৱন সিং ঘাটোৱাৰৰ লগতে অসম ৰাজ্যিক জ্যেষ্ঠ নাগৰিক পৰিষদৰ অধ্যক্ষ হৰেকৃষ্ণ ভৰালী আৰু সদৌ অসম মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণ লহকৰৰ সৈতে অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত টেলিফোনযোগে বাৰ্তালাপ কৰে।

মুখ্যমন্ত্ৰীয়ে তেওঁলোকক ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ক'ভিড-১৯ বিৰোধী পদক্ষেপ সম্পৰ্কে অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে সৰুসজাই ষ্টেডিয়ামত ক'ভিড-১৯ ৰোগীসকলৰ বাবে ১ হাজাৰখন বিচনাযুক্ত কোৱাৰেনটাইন ব্যৱস্থা, কৰ'না ভাইৰাছ ৰোগীসকলৰ পৰিচৰ্যাৰ বাবে চিকিৎসা মহাবিদ্যালয়সমূহক সাঁজু কৰি তোলা, ডিব্ৰুগড, গুৱাহাটী, লখিমপুৰ, শিলচৰ আৰু বঙাইগাঁৱত ৫ খন প্ৰিফেব্ৰিকেটেড ক'ভিড-১৯ চিকিৎসালয় স্থাপনৰ পৰিকল্পনা, চিকিৎসক আৰু পেৰামেডিকেল কৰ্মচাৰীৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। এই সংকটৰ সময়ত ৰাজ্যখনৰ ৫৮ লাখ পৰিয়ালক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত বিনামূলীয়া চাউল বিতৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে জ্যেষ্ঠ নেতাসকলক অৱগত কৰে।

কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধৰ বাবে ৰাজ্য চৰকাৰৰ পদক্ষেপসমূহৰ সন্দৰ্ভত জ্যেষ্ঠ নেতাসকলক আশ্বস্ত কৰি মুখ্যমন্ত্ৰীয়ে তেওঁলোকক কয় যে অদূৰ ভৱিষ্যতে ৰাজ্যখনত ক'ভিড-১৯ ৰোগীৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পালেও সেই প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ ৰাজ্য চৰকাৰে সম্পূৰ্ণ সাঁজু আছে। লক্-ডাউনৰ সময়ছোৱাত সামাজিক দূৰত্ব বৰ্তাই ৰখা তথা অন্যান্য নিয়ম-নীতি মানি চলাৰ বাবে জনসচেতনতা সৃষ্টিৰ দিশতো বিশেষ উদ্যোগ ল'বলৈ মুখ্যমন্ত্ৰীয়ে এই নেতাকেইগৰাকীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰে।

**স্বাঃডেঃ / প্ৰঃকুঃবঃ / পুঃডেঃ/ বিঃগঃ**
**৭/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in